2023

HISTORY

(Honours Generic/Regular)

Paper : HIS–HG/RC–3016

[History of India (C 1757 to 1947)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer either *in English* or *in Assamese*

1. Answer the following questions : 1×10=10

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

(a) Name the Nawab of Bengal who was defeated in the Battle of Plassey (1757).

পলাশীৰ যুদ্ধ (১৭৫৭)ত পৰাজিত হোৱা বঙ্গৰ নৱাবজনৰ নাম উল্লেখ কৰা।

(b) In which year was the Battle of Buxar fought?

কোন চনত বক্সাৰৰ যুদ্ধ সংঘটিত হৈছিল ?

(c) Which Governor-General introduced the Subsidiary Alliance?

কোনজন গভর্ণৰ-জেনেৰেলে বশ্যতামূলক মিত্রতা নীতি প্রচলন কৰিছিল ?

(d) In which year was the Sati system banned?

কোন চনত সতীদাহ প্রথা নিষিদ্ধ কৰা হৈছিল ?

(e) Name the President of the First Session of the Indian National Congress.

ভাৰতীয় জাতীয় কংগ্রেছৰ প্রথমখন সভাৰ সভাপতিজনৰ নাম লিখা।

(f) "Swaraj is my birthright and I shall have it." Who said this?

"স্বৰাজ মোৰ জন্মস্বত্ব আৰু ইয়াক মই লাভ কৰিমেই।" এই কথাষাৰ কোনে কৈছিল ?

(g) In which year was the Gandhi-Irwin Pact signed?

কোন চনত গান্ধী-ইৰউইন চুক্তি স্বাক্ষৰিত হৈছিল ?

(h) Who was known as the Frontier Gandhi?

কোনে 'সীমান্ত গান্ধী'ৰূপে জনাজাত আছিল ?

(Continued)

(i) In which year did the Quit India Movement begin?

ভাৰত ত্যাগ আন্দোলন কোন চনত আৰম্ভ হৈছিল ?

(j) On which day was Mahatma Gandhi assassinated?

কোন দিনাখন মহাত্মা গান্ধীক হত্যা কৰা হৈছিল ?

2. Answer the following questions in brief : 2×5=10

তলত দিয়া প্ৰশ্নসমূহৰ চমুকৈ উত্তৰ দিয়া :

(a) Mention two causes of the Battle of Plassey.

পলাশীৰ যুদ্ধৰ দুটা কাৰণ উল্লেখ কৰা।

(b) Name two important leaders of the Revolt of 1857.

১৮৫৭ৰ বিদ্রোহৰ দুজন উল্লেখযোগ্য নেতাৰ নাম লিখা।

(c) Mention two important programs of the Swadeshi Movement.

স্বদেশী আন্দোলনৰ দুটা গুৰুত্বপূৰ্ণ কাৰ্যসূচী উল্লেখ কৰা।

(d) When and in which Session was the Indian National Congress split into Moderates and Extremists?

কেতিয়া আৰু কোনখন সভাত ভাৰতীয় জাতীয় কংগ্ৰেছ নৰমপন্থী আৰু চৰমপন্থীলৈ বিভাজিত হৈছিল ?

(e) In which year and in which Session of the Indian National Congress was the resolution of 'Poorna Swaraj' accepted?

কোন চনত আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ কোনখন সভাত 'পূৰ্ণ স্বৰাজ'ৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল ?

3. Write short notes on (any *four*) : 5×4=20

চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) The Black Hole Tragedy

অন্ধকূপ হত্যাকাণ্ড

(b) Raja Ram Mohan Roy

ৰাজা ৰামমোহন ৰয়

(c) Drain of Wealth

সম্পদৰ বহিৰ্গমন বা নিষ্কাশন

(Continued)

(d) Ryotwari Settlement

ৰায়তৰাৰী বন্দৱস্তি

(e) The Lucknow Session of the Indian National Congress (1916)

ভাৰতীয় জাতীয় কংগ্ৰেছৰ লক্ষ্ণৌ অধিৱেশন (১৯১৬)

(f) The Non-Cooperation Movement

অসহযোগ আন্দোলন

4. Answer the following questions (any *four*) : 10×4=40

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) :

(a) Discuss the historical importance of the Battle of Plassey (1757). Do you consider that the incomplete tasks of the Battle of Plassey were completed by the Battle of Buxar (1764)?

পলাশীৰ যুদ্ধ (১৭৫৭)ৰ ঐতিহাসিক গুৰুত্ব আলোচনা কৰা। পলাশীৰ যুদ্ধৰ অসম্পূৰ্ণ কামবোৰ বক্সাৰৰ যুদ্ধ (১৭৬৪)ই সম্পূৰ্ণ কৰিছিল বুলি তুমি বিৱেচনা কৰানে ?

(b) Critically discuss the Permanent Settlement of Bengal introduced by Lord Cornwallis.

লর্ড কর্ণৱালিছে বঙ্গত প্রচলন কৰা চিৰস্থায়ী বন্দৱস্তিৰ এক সমালোচনাত্মক আলোচনা আগবঢ়োৱা।

(c) Review Anglo-Maratha relations between 1761 and 1782.

১৭৬১ৰ পৰা ১৭৮২ চনলৈ ইঙ্গ-মাৰাঠা সম্পৰ্কৰ এক পৰ্যালোচনা আগবঢ়োৱা।

(d) Trace the growth of the British judicial system of administration.

ব্ৰিটিছৰ ন্যায়-প্রশাসনিক ব্যৱস্থাৰ বিকাশৰ আঁতি-গুৰি বিচাৰ কৰা।

(e) What were the causes for the failure of the 1857 Revolt?

১৮৫৭ চনৰ বিদ্রোহৰ বিফলতাৰ কাৰণসমূহ কি আছিল ?

(f) What were the causes and effects of the Swadeshi Movement that started in Bengal in 1905?

১৯০৫ চনত বঙ্গত আৰম্ভ হোৱা স্বদেশী আন্দোলনৰ কাৰণ আৰু প্রভাৱবোৰ কি আছিল ?

(Continued)

(g) Briefly discuss the role of Mahatma Gandhi in the Indian National Movement.

ভাৰতীয় জাতীয় আন্দোলনত মহাত্মা গান্ধীৰ ভূমিকা সম্পর্কে চমুকৈ আলোচনা কৰা।

(h) Discuss the significance of the Quit India Movement in India's Struggle for Independence.

ভাৰতৰ স্বাধীনতা সংগ্ৰামত ভাৰত ত্যাগ আন্দোলনৰ তাৎপর্য কি আছিল, আলোচনা কৰা।

★★★